# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 15-June-2026
**Time :** 1845HRS

## *Assamese Evening Bulletin*

### HEADLINES

১।	চৰকাৰী চাকৰি অথবা পেন্সন লাভ নকৰা মুক্তিযুঁজাৰুসকলৰ পৰিয়াললৈ ৰাজ্য চৰকাৰে সহায় আগবঢ়াব বুলি মুখ্যমন্ত্ৰীৰ  আশ্বাস।

২।	ৰাজ্যৰ চাৰিবিধ সাংস্কৃতিক আৰু কাৰুশিল্পজাত সামগ্ৰীলৈ GI TAG।

৩।	কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীৰ শ্বিলঙত ৩ হাজাৰ ২১৪ কোটি টকা ব্যয়সাপেক্ষ ছটা ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন।

৪।	ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত আজি ৩ গৰাকী লোকৰ সাক্ষ্য প্ৰদান।

**আৰু**

৫।	বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত টিউনিছিয়াৰ বিৰুদ্ধে ছুইডেনৰ ৫-১ গ'লত জয়লাভ।

ooooo

মুখ্যমন্ত্ৰী ড০হিমন্ত বিশ্ব শৰ্মাই চৰকাৰী চাকৰি অথবা পেন্সন লাভ নকৰা মুক্তিযুঁজাৰুসকলৰ পৰিয়ালবৰ্গলৈ ৰাজ্য চৰকাৰে সহায় আগবঢ়াব বুলি আশ্বাস প্ৰদান কৰে। কুশল কোঁৱৰৰ স্মৃতি দিৱস উপলক্ষে অসম মুক্তি যুঁজাৰু সন্মিলনৰ উদ্যোগত আৰু ৰাজ্য চৰকাৰৰ সহযোগত আজি গুৱাহাটীৰ ৰূপনগৰৰ স্বতন্ত্ৰ সেনানী ভৱনত শ্বহীদ কুশল কোঁৱৰৰ স্মৃতি অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে এই আশ্বাস দিয়ে। তেওঁ কয় যে শ্বহীদসকলৰ শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সহায় আগবঢ়োৱাৰ বিষয়টো লৈ নিৰন্তৰ আলোচনা অব্যাহত আছে। ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে শ্বহীদ কুশল কোঁৱৰ এগৰাকী ব্যক্তিয়েই নহয় বৰং দেশপ্ৰম, ত্যাগ আৰু অপৰিসীম সাহসৰ জীৱন্ত প্ৰতীক আছিল। তেওঁৰ জীৱনগাঁথাই আজিও প্ৰতিটো প্ৰজন্মক দেশপ্ৰেমৰ অনন্য অনুপ্ৰেৰণা জগাই আহিছে। দেশমাতৃৰ মুক্তিৰ বাবে কুশল কোঁৱৰৰ আত্মোৎসৰ্গৰ গৌৰৱগাথাই আমাৰ জাতীয় চেতনাক চিৰকাললৈ উদ্বুদ্ধ কৰি ৰাখিব বুলি তেওঁ মন্তব্য কৰে। শ্বহীদসকলৰ আদৰ্শৰাজি বৰ্তাই ৰাখিবলৈ যুৱ প্ৰজন্মৰ প্ৰতি আহ্বান জনাই মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে বৰ অসমৰ প্ৰগতিৰ ক্ষেত্ৰত তেওঁলোকৰ ঐতিহ্য আৰু অৱদানৰ সংৰক্ষণে ৰাষ্ট্ৰৰ স্বাধীনতাৰ হকে প্ৰাণ আহুতি দিয়াসকলৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধাঞ্জলি হ'ব।

বাইট

কুশল কোঁৱৰৰ পূণ্য স্মৃতি দিৱস উপলক্ষে কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ উদ্যোগত মহানগৰীৰ নেহৰু উদ্যানত আয়োজিত অনুষ্ঠানত বিত্ত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই শ্বহীদগৰাকীলৈ শ্ৰদ্ধা জ্ঞাপন কৰে। অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে কয় যে কুশল কোঁৱৰৰ আত্মবলিদানে সকলোকে অতুলনীয় স্বদেশ প্ৰেমৰ প্ৰেৰণা দিয়ে। স্বাধীনতা সংগ্ৰামীসকলৰ আত্মবলিদানৰ বাবেই আমি স্বাধীন ভাৰতত আত্মমৰ্যাদাৰে জীয়াই আছো বুলি তেওঁ উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে কয়

যে কুশল কোঁৱৰৰ দৰে স্বাধীনতা সংগ্ৰামীসকলে যিধৰণে সজাব বিচাৰিছিল, সেই ধৰণে দেশক আগবঢ়াই নিয়াৰ বাবে আমি সকলোৱে সংকল্পবদ্ধ হোৱা উচিত। অনুষ্ঠানত গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি, গৌৱাহাটী পৌৰ নিমগৰ মেয়ৰ মৃগেন শৰণীয়া, জিলা আয়ুক্ত স্বপ্নীল পাল আৰু কুশল কোঁৱৰৰ বোৱাৰী যমুনা কোঁৱৰ সহ ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

উল্লেখযোগ্য যে ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ সময়ত গোলাঘাট জিলাৰ সৰু পথাৰত ৰে'ল দুৰ্ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত স্বাধীনতা সেনানীগৰাকীক ব্ৰিটিছ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি মৃত্যুদণ্ডৰ হুকুম দিছিল। ১৯৪৩ চনৰ আজিৰ দিনটোতে কুশল কোঁৱৰক যোৰহাট কেন্দ্ৰীয় কাৰাগাৰত ফাঁচী দিয়া হৈছিল। অহিংস নীতিৰে স্বাধীনতা আন্দোলনত যোগ দিয়া সেনানীগৰাকী গোলাঘাট জিলা কংগ্ৰেছৰ সম্পাদকৰ দায়িত্বও পালন কৰিছিল।

ooooo

ৰাজ্যৰ চাৰিবিধ সাংস্কৃতিক আৰু কাৰুশিল্পজাত সামগ্ৰীয়ে GI TAG অৰ্থাৎ ভৌগোলিক সূচ্যাংক লাভ কৰিছে। শেহতীয়াকৈ ভৌগোলিক সূচক পঞ্জীয়ে ম'হৰ শিঙৰ পেঁপা, বাঁহ শিল্প, কাৰ্বি আংলঙৰ হস্ততাঁত শিল্প আৰু দেউৰী সম্প্ৰদায়ৰ হস্ততাঁত শিল্পক স্বীকৃতি প্ৰদান কৰিছে। ইয়াৰ লগে লগে ৰাজ্যৰ থলুৱা কাৰুশিল্প আৰু সাংস্কৃতিক পৰিচয়ৰ বৈচিত্ৰ্যপূৰ্ণ দিশসমূহ উদ্ভাসিত হোৱাত সহায়ক হৈ পৰিব। নতুনকৈ ভৌগোলিক সূচ্যাংক লাভ কৰা এই চাৰিবিধ সামগ্ৰীয়ে জনজাতীয় ঐতিহ্য, সংগীত বিজ্ঞান আৰু প্ৰাকৃতিক সম্পদৰ কাৰুশিল্পৰ বৰ্ণাঢ্য দিশ সামৰি লৈছে। এই স্বীকৃতিলাভৰ প্ৰক্ৰিয়াত ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰামোন্নয়ন বেংক নাবাৰ্ডৰ অসম শাখাই সহায় কৰিছে। নাবাৰ্ডৰ অসম শাখাৰ মুখ্য প্ৰবন্ধক লোকেন দাসে এই সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত কয়, যে ঐতিহ্য সংৰক্ষণৰ গুৰুত্বৰ লগতে কাৰুশিল্পীসকলৰ অৰ্থনৈতিক বহনক্ষমতা নিশ্চিত কৰাৰ বাবে নাবাৰ্ডে ভৌগোলিক সূচাংক প্ৰমাণ পত্ৰ লাভ প্ৰক্ৰিয়াক সক্ৰিয়ভাৱে সমৰ্থন যোগাই আহিছে। এই স্বীকৃতিয়ে সামগ্ৰীসমূহৰ পৰিচয় আৰু নিৰ্ভৰযোগ্যতাক সুদৃঢ় কৰাই নহয়, বৰং ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ইয়াৰ বজাৰ লাভৰ সম্ভাৱনা বৃদ্ধি কৰিব বুলি নাবাৰ্ডৰ অসম শাখাৰ মুখ্য প্ৰবন্ধকগৰাকীয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য যে নাবাৰ্ডৰ সহযোগত অসমৰ ভৌগোলিক সূচ্যাংক লাভ কৰা সামগ্ৰীৰ সংখ্যা ১২ লৈ বৃদ্ধি পালে। এই স্বীকৃতি পোৱাৰ ফলত এনে সামগ্ৰীসমূহৰ বিনা অনুমতিত অনুকৰণ আৰু অপব্যৱহাৰৰ বিৰুদ্ধে আইনী সুৰক্ষা লাভ কৰিব।

ooooo

**শক্তিপীঠ কামাখ্যা মন্দিৰত অহা ২২ জুনৰ পৰা হ'বলগীয়া অম্বুবাচী মেলাৰ বাবে ৰাজ্য চৰকাৰ আৰু কামৰূপ মহানগৰ জিলা প্ৰশাসনে যাৱতীয় প্ৰস্তুতি গ্ৰহণ কৰা হৈছে। মেলাৰ বাবে ইতিমধ্যে কামাখ্যা মন্দিৰলৈ দেশৰ ভিন্ন প্ৰান্তৰ সাধু, সন্যাসীসকলৰ আগমন ঘটিছে। মন্দিৰৰ মুখ্য দলৈ কবীন্দ্ৰ প্ৰসাদ শৰ্মাই প্ৰকাশ কৰা মতে ২২ জুনৰ নিশা ৯ বাজি ৮ মিনিট ৪২ ছেকেণ্ডত প্ৰবৃত্তি হ'ব। প্ৰবৃত্তিৰ লগে লগে পৰম্পৰা অনুসৰি ৩ দিনৰ বাবে মা কামাখ্যা মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে বন্ধ থাকিব। ২৬ জুনৰ পুৱা পূজা, দেৱী স্নানৰ পাছত ভক্তৰ বাবে মন্দিৰৰ দুৱাৰ মুকলি কৰি দিয়া হ'ব। ভক্তৰ ভিৰৰ প্ৰতি লক্ষ্য ৰাখি মন্দিৰলৈ পৰিবহণৰ কোনো ব্যৱস্থা নাথাকিব বুলি মুখ্য দলৈ গৰাকীয়ে অৱগত কৰে। ভক্তসকলে নাৰ্ছাৰী পইন্টত জোতা-চেণ্ডেল থৈ পদপথে কামাখ্যা মন্দিৰলৈ আহিব পাৰিব। স্বচ্ছতাৰ দিশটোৰ প্ৰতি লক্ষ্য ৰাখি নীলাচল পাহাৰত ভক্তৰ বাবে কোনো থকা-খোৱাৰ ব্যৱস্থা নাথাকিব। ইয়াৰ বিপৰীতে প্ৰশাসনে ভক্তসকলৰ বাবে**

মালিগাঁও, পাণ্ডু, বৰিপৰা আদি অঞ্চলত থকা-খোৱাৰ ব্যৱস্থা কৰা বুলি দলৈ কবীন্দ্ৰ প্ৰসাদ শৰ্মাই জানিবলৈ দিয়ে।

০০০০০

কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে আজি শ্বিলঙত উত্তৰ-পূব ভাৰত আন্তঃগাঁথনি সন্মিলন আৰু প্ৰদৰ্শনী মুকলি কৰে। এই সন্মিলনৰ পৰাই কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ৩ হাজাৰ ২১৪ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া মেঘালয়ৰ ছটা ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পই পথ যোগাযোগ ব্যৱস্থা উন্নত কৰাৰ লগতে প্ৰান্তীয় অঞ্চললৈ যোগাযোগৰ সুবিধা তথা মেঘালয়কে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ আৰ্থ-সামাজিক বিকাশত অৰিহণা যোগাব বুলি আশা কৰা হৈছে। সন্মিলনত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ আন্তঃগাঁথনি বিকাশ ক্ষেত্ৰত দিয়া গুৰুত্বৰ বিষয়ে উল্লেখ কৰে। শ্ৰীগাডকাৰীয়ে কয় যে কেন্দ্ৰীয় চৰকাৰে উত্তৰ পূৰ্বাঞ্চলৰ অৰ্থনৈতিক সম্ভাৱনাৰ পূৰ্ণ ব্যৱহাৰ, আঞ্চলিক সংহতি সুদৃঢ়কৰণ আৰু যুৱ প্ৰজন্ম তথা স্থানীয় প্ৰতিষ্ঠানসমূহৰ বাবে সুযোগ সৃষ্টিৰ উদ্দেশ্যে যোগাযোগ আৰু স্থায়ী আন্তঃগাঁথনিৰ প্ৰসাৰৰ লগতে বিনিয়োগ-কেন্দ্ৰিক বিকাশত গুৰুত্ব আৰোপ কৰি আহিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্বত দ্ৰুত আৰু নিৰাপদ যাত্ৰা সুনিশ্চিত কৰাৰ বাবে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলত বিশ্বমান ঘাইপথ আন্তঃগাঁথনি নিৰ্মাণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰ বদ্ধপৰিকৰ বুলি তেওঁ মন্তব্য কৰে।

শ্ৰী গাডকাৰীয়ে এই সন্মিলনত মুখ্য কাৰ্যবাহী বিষয়াসকলৰ ঘূৰণীয়া মেজমেলত অংশ লোৱাৰ কথা। এই সন্মিলনে নীতি নিৰ্মাতা, ঔদ্যোগিক নেতা, বিনিয়োগকাৰী আৰু ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ অংশীদাৰীসকলক একেলগ কৰি আন্তঃগাঁথনিৰ উন্নয়ন, বিনিয়োগৰ সুযোগ আৰু আঞ্চলিক বিকাশৰ আলোচনাৰ বাবে এখন গুৰুত্বপূৰ্ণ মঞ্চ হিচাপে সেৱা আগবঢ়াই আহিছে। দুদিনীয়াকৈ আয়োজন কৰা এই সন্মিলনত মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড কে চাংমা আৰু নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ'ই অংশগ্ৰহণ কৰে। এই সন্মিলন উত্তৰ-পূব ভাৰতৰ আন্তঃগাঁথনিক লৈ সমবেত হোৱা সৰ্ববৃহৎ সন্মিলন হ'ব বুলি আশা কৰা হৈছে।

০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত আজি ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত ৩ গৰাকী লোক ক্ৰমে ৰাহুল গোস্বামী, ৰাজ গোস্বামী, দিপাংকৰ ঠাকুৰীয়াই সাক্ষ্য প্ৰদান কৰে। অৱশ্যে আদালতে চমন জাৰি কৰাৰ পাছতো গৌতম ভট্টাচাৰ্য নামৰ সাক্ষীগৰাকী সাক্ষ্য প্ৰদানৰ বাবে আদালতত উপস্থিত নহ'ল। এই গোচৰত প্ৰথমে এজাহাৰকাৰীসকলক সাক্ষ্য গ্ৰহণৰ বাবে মতা হৈছে বুলি চৰকাৰী অধিবক্তা জিয়াউৰ কামাৰে মন্তব্য কৰে। তেওঁ কয়, যে পৰৱৰ্তী পৰ্যায়ত চিকিৎসা বিভাগৰ সাক্ষীসকলক মতা হ'ব। তাৰ পৰৱৰ্তী পৰ্যায়ত ছিংগাপুৰৰ প্ৰবাসী অসমীয়াসকলৰ সাক্ষ্য লোৱা হ'ব বুলি তেওঁ কয়। এই সন্দৰ্ভত সাংবাদিকসকলৰ আগত অধিবক্তা গৰাকীয়ে এইদৰে কয়-

***(বাইট ঃ কামাৰ)***

উল্লেখযোগ্য যে ছিংগাপুৰত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ পাছতে ঘটনাৰ উচিত তদন্ত বিচাৰি ৰাজ্যৰ বিভিন্ন থানাত ভালেসংখ্যক এজাহাৰ দাখিল হৈছিল। যিসকল লোকে এই এজাহাৰ দাখিল কৰিছিল সেইসকল লোকৰে যোৱা ৮ জুনৰ পৰা আদালতে সাক্ষ্য গ্ৰহণ প্ৰক্ৰিয়া সম্পন্ন কৰিছে। অহা ২০ জুন পৰ্যন্ত এই এজাহাৰকাৰীসকলৰ আদালতে সাক্ষ্য গ্ৰহণ কৰিব। আমাৰ আগৰ বাতৰিতেই উল্লেখ কৰা হৈছে যে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত মুঠ সাক্ষী হৈছে ৩৯৪ জন।

০০০০০

কামৰূপ মহানগৰ জিলা দুৰ্যোগ প্ৰশমন প্ৰাধিকৰণে ইতিপূৰ্বে ভূমিস্খলন প্ৰৱণ এলেকা হিচাপে চিনাক্ত কৰা ৩৬৬টা স্থানৰ বাসিন্দাসকলৰ বাবে জৰুৰী সতৰ্কবাণী জাৰি কৰিছে। প্ৰাধিকৰণে এনে স্থানৰ নাগৰিকসকলক

আগতীয়াকৈ সাৱধানতা অৱলম্বন কৰাৰ বাবে সামাজি মাধ্যমৰ জৰিয়তে পাহাৰীয়া অঞ্চলৰ জনসাধাৰণক আহ্বান জনাইছে। বিশেষকৈ নৰকাসুৰ পাহাৰক অন্যতম স্পৰ্শকাতৰ স্থান হিচাপে চিহ্নিত কৰি তাৰ বাসিন্দাসকলক সতৰ্ক হৈ থাকিবলৈ কোৱা হৈছে। দুৰ্যোগ প্ৰশমন বিভাগে চিনাক্ত কৰা অঞ্চলভিত্তিক ভূমিস্খলন প্ৰৱন স্থানসমূহৰ ভিতৰত ফটাশিলৰ পাঁচটা স্থান, গড়ভাংগাৰ ৯টা, গোটানগৰৰ ছটা, হেঙেৰাবাৰীৰ ৩০টা, জালুকবাৰী-লংকেশ্বৰৰ দুটা, কাহিলীপাৰাৰ ২৫টা, কালাপাহাৰৰ সাতটা, কামাখ্যা-নীলাচলৰ পাঁচটা, খানাপাৰাৰ ৩০টা, খাৰঘূলিৰ ৩৭টা, কইনাধৰাৰ পাঁচটা, মালিগাঁৱৰ ৮টা, নৱগ্ৰহৰ ছটা, নৰকাসুৰৰ ১৪টা, নাৰেঙ্গীৰ ৩১টা, নুনমাটিৰ ৪০টা, শান্তিপুৰৰ ২০টা, শৰণীয়াৰ পাঁচটা, শুক্ৰেশ্বৰৰ এটা আৰু চুণচালিৰ ৭৭টা স্থান আছে। যিকোনো জৰুৰীকালীন পৰিস্থিতি বা ভূমিস্খলনৰ খবৰ দিবলৈ জিলা দুৰ্যোগ প্ৰশমন বিভাগৰ বিনামূলীয়া নম্বৰ ১০৭৭ত পোনপটীয়াকৈ যোগাযোগ কৰিবলৈ কোৱা হৈছে। প্ৰশাসনে যিকোনো পৰিস্থিতিৰ মুখামুখি হ'বলৈ ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীৰ দলসমূহক সাজু কৰি ৰাখিছে।

ooooo

আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইৰানে ১০৭ দিনীয়া যুদ্ধৰ অৱসান ঘটাই হৰমুজ প্ৰণালী মুকলি কৰাৰ বাবে এখন চুক্তি চূড়ান্ত কৰিছে। এই চুক্তিত আনুষ্ঠানিকভাৱে স্বাক্ষৰ কৰাৰ পাছতেই অহা শুকুৰবাৰে হৰমুজ প্ৰণালী মুকলি কৰা হ'ব। আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে সামাজিক মাধ্যমৰ এটা বাৰ্তাত যোৱা নিশা এই কথা সদৰি কৰি কয়, যে এই চুক্তিৰ লগে লগে ইৰানৰ বন্দৰত আমেৰিকাৰ নৌসেনাৰ অৱৰোধৰ অন্ত পৰিব। ছুইজাৰলেণ্ডত অহা ১৯ জুনত শান্তি চুক্তিত স্বাক্ষৰ কৰা হ'ব।  তেওঁ কয়, যে এই চুক্তিয়ে সমগ্ৰ মধ্যপ্ৰাচ্যলৈ শান্তি আৰু নিৰাপত্তা ঘূৰাই আনিব। এই চুক্তিৰ অধীনত ইৰানৰ পৰমাণু সংবৰ্ধন আৰু ৬০ দিনৰ ভিতৰত অত্যাধিক সংবৰ্ধিত ইউৰেনিয়াম নিষ্কাশনৰ বিষয়ে আলোচনা কৰাৰ বাবে দুয়োখন দেশক আহ্বান জনোৱা হৈছে। ইৰানৰ সৰ্বোচ্চ ৰাষ্ট্ৰীয় নিৰাপত্তা পৰিষদে জনোৱা মতে লেবাননকে ধৰি সকলো খণ্ডৰ যুদ্ধ আৰু সামৰিক অভিযান আজি নিশাৰে পৰা স্থায়ীভাৱে অন্ত পৰিব।

বিশ্ব নেতাসকলে আমেৰিকা আৰু ইৰানে তাৎক্ষণিক আৰু স্থায়ীভাৱে যুদ্ধবিৰতিৰ বাবে শান্তিচুক্তিৰ ক্ষেত্ৰত সন্মতি প্ৰকাশ কৰাৰ ঘোষণাক আদৰণি জনাইছে। নেতাসকলে এই চুক্তিক অতি গুৰুত্বপূৰ্ণ কূটনৈতিক অগ্ৰগতি বুলি উল্লেখ কৰি কয়, যে ইয়াৰ জৰিয়তে পশ্চিম এছিয়াত স্থিৰতা ঘূৰাই অনাত সহায়ক হ'ব। ৰাষ্ট্ৰসংঘৰ সাধাৰণ সচিব এণ্টনিঅ' গুটেৰেছেও শান্তি চুক্তিৰ ঘোষণাক আদৰণি জনাইছে।

উল্লেখযোগ্য যে আমেৰিকা, ইজৰাইল আৰু ইৰানৰ মাজৰ সংঘৰ্ষত তেহৰানৰ কেইবাগৰাকী শীৰ্ষ নেতাই প্ৰাণ হেৰুৱায়। ইয়াৰ ভিতৰত ইৰানৰ সৰ্বোচ্চ নেতা আয়াতুল্লাহ আলী খামেনেই, সৰ্বোচ্চ ৰাষ্ট্ৰীয় নিৰাপত্তা পৰিষদৰ সচিব আলী লাৰিজানি, ইছলামিক ৰিভিলিউচানেৰী গাৰ্ড ক'ৰ্পছৰ কামাণ্ডাৰ মহম্মদ পাকপ'ৰ, প্ৰতিৰক্ষা মন্ত্ৰী আজিজ নাছিৰযাদে অন্যতম।

ooooo

**মন্ত্ৰী অশোক সিংহলে আজি গুৱাহাটীত চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগৰ অধীনস্থ বিভিন্ন প্ৰতিষ্ঠান, সংস্থা আৰু সঞ্চালকালয়সমূহৰ কাম-কাজৰ অগ্ৰগতি, চলি থকা প্ৰকল্পসমূহৰ ৰূপায়ণ আৰু ভৱিষ্যৎ কৰ্মপন্থা সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ পৰ্যালোচনা বৈঠকত অংশ গ্ৰহণ কৰে। বৈঠকত শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়খনৰ শৈক্ষিক, পৰীক্ষা আৰু গৱেষণামূলক কাৰ্যকলাপ সন্দৰ্ভত বিস্তৃত পৰ্যালোচনা কৰা হয়। ইয়াৰ লগতে চিকিৎসা শিক্ষা সঞ্চালকালয়ৰ অধীনৰ ৰাজ্যৰ চিকিৎসা মহাবিদ্যালয়সমূহত চলি থকা আন্তঃগাঁথনি উন্নয়ন, শিক্ষক-কৰ্মচাৰী নিয়োগ আৰু চিকিৎসা শিক্ষাৰ মান উন্নয়নৰ ক্ষেত্ৰত গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বিষয়েও বৈঠকত আলোচনা কৰা হয়। অটল অমৃত অভিযান**

ছ'চাইটিৰ পৰ্যালোচনাৰ সময়ত স্বাস্থ্য বীমা আঁচনিৰ সুবিধা হিতাধিকাৰীৰ ওচৰলৈ লৈ যোৱাৰ ক্ষেত্ৰত তেওঁ বিশেষ গুৰুত্ব আৰোপ কৰে। মন্ত্ৰীগৰাকীয়ে আঁচনিখনৰ ৰূপায়ণ অধিক গতিশীল আৰু স্বচ্ছ কৰাৰ বাবে প্ৰয়োজনীয় নিৰ্দেশ প্ৰদান কৰে। অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেচনৰ দ্বাৰা ৰাজ্যজুৰি কেন্সাৰ চিকিৎসা সেৱা সম্প্ৰসাৰণ আৰু ৰোগীসকলক উন্নত চিকিৎসা সুবিধা প্ৰদানৰ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়েও বৈঠকত আলোচনা কৰা হয়। বৈঠকত তেওঁ প্ৰতিটো সঞ্চালকালয় ,সংস্থাৰ কাম-কাজৰ বিস্তৃত পৰ্যালোচনা কৰি জনসাধাৰণক উন্নত স্বাস্থ্যসেৱা প্ৰদান, চিকিৎসা শিক্ষাৰ মান উন্নয়ন আৰু চলি থকা প্ৰকল্পসমূহ নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত সম্পূৰ্ণ কৰাৰ বাবে প্ৰয়োজনীয় নিৰ্দেশ প্ৰদান কৰে।

ooooo

বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি অনুষ্ঠিত গ্ৰুপ-এফৰ এখন খেলত ছুইডেনে টিউনিছিয়াক ৫-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। ইয়াৰ পূৰ্বে আজি ভাৰতীয় সময় অনুসৰি পুৱা চাৰে ৪ বজাত অনুষ্ঠিত গ্ৰুপ-ইৰ এখন খেলত আইভৰী ক'ষ্টৈ ইকুৱেডৰক ১-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে।

ইপিনে গ্ৰুপ-ইৰ এখন খেলত জাৰ্মানীয়ে যোৱা নিশা প্ৰথমবাৰৰ বাবে বিশ্বকাপত অৱতীৰ্ণ হোৱা কুৰাচাওক ৭-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। ডালাছত অনুষ্ঠিত নেডাৰলেণ্ডছ আৰু জাপানৰ মাজৰ খেলখন ২-২ গ'লত ড্ৰ' হয়।

ooooo

*সমাপ্ত*